# ৰত্না দত্তৰ কবিতা : এটি খৰতকীয়া টোকা

**জ্যোতিষ্মান দাস**

*Issue: Vol. IV, No. 2, August-October, 2025*




ৰত্না দত্তৰ কবিতাৰাজিত প্ৰৱহিত সুৰটি প্ৰধানতঃ ‘ৰোমান্টিক’; কবিৰ কবিতাত নৈসৰ্গৰ গভীৰ উপলব্ধিৰ অন্তৰ্লীন সংগীত প্ৰকৃষ্ট ৰূপত শুনা যায়। স্বৰাজোত্তৰ অসমীয়া কবিতাৰ নানা সম্পৰীক্ষাৰ মাজতো বৈ থকা নৈসৰ্গ আৰু মানৱ-মনৰ আন্তঃসম্পৰ্কৰ ঐতিহ্যবাহী উপলব্ধিক সাৰোগত কৰি কবিয়ে প্ৰকৃতিৰ মহত্ব আৰু গুৰুত্বক অনুধাৱন কৰিছে লক্ষণীয় ৰূপত। কবিৰ কেইবাটাও কবিতাত ‘নদী’ ধৰা দিছে অনুপ্ৰেৰণা, প্ৰেম আৰু প্ৰাপ্তিৰ অমল উৎস হৈ :

‘‘নদীক মই কেনেকৈ বুজাওঁ
মোৰ কাষত তেওঁৰ উপস্থিতিয়েই যে
মোৰ প্ৰায় সম্পূৰ্ণ প্ৰাপ্তি
আৰু কি দিবা মোক তুমি নদী’’ (জুৰণি)

‘‘নদীৰ কলকল মাতে
আমাৰ ওঁঠ বোবা কৰি দিয়ে
. . .
কলকল সুৰ বোকাচাত বান্ধি লৈ আমি
আমাৰ দৰে সপোন দেখা সহৃদয় বিচাৰোঁ’’ (যৌৱন)

''মাটিক সোধা ফুলক সোধা
নদীক সোধা
তোমাৰ ঠিকনা'' (নীলাঞ্জনা)

কবিৰ বাবে নদী আন্তৰিক বন্ধু, সৰলতা-উদাৰতা আৰু সাহচৰ্যৰ প্ৰতীক। নদী তথা প্ৰকৃতিৰ বিপুল দানৰ সন্মুখত কবিৰ অসহায় ঋণগ্ৰস্ততাৰ বোধ নৱকান্তৰ 'কৃপণ' কবিতাৰে তুলনীয় : "তুমি মোক ক্ষমা কৰাহে পৃথিৱী/ মই যে কৃপণ/ তোমাৰ নদীয়ে খোজে শুনাব যি গীতি/ বিজ্ঞানে যি ক'ব পৰা নাই..."। নৈসৰ্গই দিব পৰা অনাবিল সুখৰ অপূৰণীয় স্থান, অকৃত্ৰিম আৰু অকৃপণ চৰিত্ৰৰ এই উপলব্ধিক পাৰিপাৰ্শ্বিক-কবিতাৰ (Ecopoetry) বাগ্‌ধাৰাৰেও যুকিয়াই চাব পাৰি। ৰোমান্টিকতাবাদৰ বৌদ্ধিক পটভূমিৰ অন্যতম স্তম্ভ জাঁক ৰুছোৰ প্ৰকৃতি-চিন্তনৰ বাটৰেই অনুগামী কবি ৰত্না দত্তৰ বাবে অৰণ্য-পাহাৰ-নদীৰ বুকতেই শিপাই আছে বাস্তৱ যন্ত্ৰণা উপশমৰ মন্ত্ৰ (দ্ৰষ্টব্য : "To escape from this state of sickness we must return to the mountains and meadows")। সেয়েহে কবিৰ আহ্বান আৰু অনুসন্ধান :

''আঁহাচোন
ডাষ্টবিনত দলিয়াই দিওঁ যন্ত্ৰণা
আৰু বৰ্ষাৰণ্যত গা ধুই
নতুনকৈ জন্ম লওঁ'' (বৰষুণ)
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
''মোৰ সৰু সৰু সেউজ সপোনবোৰক
হাত ধৰি ধৰি খোজ কঢ়াবলৈ
বিশাল নীলচীয়া সপোনটোৰ তলত
এখন মাটিয়া ৰঙৰ পৃথিৱী
বিচাৰি ফুৰিছোঁ
দোকমোকালিৰপৰাই।'' (স্বপ্ন)

আধুনিকতাবাদী কবিতাৰ বুদ্ধিদীপ্ত নিৰ্মাণ আৰু প্ৰকাশভংগীৰ পৰা দূৰৱৰ্তী অৱস্থানেৰে কবি ৰত্না দত্তই সৰল ভাব-ভাষাৰে লিখি উলিওৱা কবিতাৰাজিত পৰিলক্ষিত হয় লোকজীৱন আৰু লোকভাষাৰ প্ৰতি গভীৰ আগ্ৰহ আৰু আকৰ্ষণ। কবিৰ চেতনা আৰু অনুভূতিৰ বাৰ্তাবাহক প্ৰতীক-উপমা হিচাপে লোকজীৱনৰ বিবিধ উপাদানৰ সঘন ব্যৱহাৰ তেওঁৰ কবিতাত বিদ্যমান। এই আগ্ৰহ-আকৰ্ষণৰ প্ৰকাশ হিচাপে তুলি ধৰিব পৰা দুটিমান উদাহৰণ হৈছে :

''দুখৰ চকুলো মচা
সৰুসূতাৰ গামোচাতে আঁকা থাকে
সুখৰ গুটিমালি ফুল'' (জুনুকা)
. . .
খোচনাৰ টেমি কটাৰীয়ে
লাজ-লাজকৈ কথা কৈছিল (বিহুৱতী)
. . .
পথাৰখনলৈ দৌৰ মাৰিবৰ মন গৈছিল
তোমাৰ স'তে
ভগাই খাবৰ মন গৈছিল
এটা চকলা টেঙা (বিহুৱতী)
. . .
জপাৰপৰা উলিয়াই ল'লোঁ তেওঁক

সোণ হেন এটা ছনেটৰ আঁৰে আঁৰে
তেওঁ আহিল। (চিঠি)

লোকজীৱনৰ বিভিন্ন প্ৰসংগ-অনুষংগ সংপৃক্ত হৈ থকা কবিৰ এনে কবিতাৰাজিৰ লোক-সাংস্কৃতিক তাৎপৰ্য বিশ্লেষণৰ সুকীয়া অৱকাশ আছে। প্ৰায় সকলো কবিতাতেই দেখা যায় কবিৰ লোকমনটিৰ নিভাঁজ উপস্থিতি।

নৈসৰ্গ চেতনা, প্ৰেম চেতনা, জীৱনৰ গূঢ় উপলব্ধি আৰু গভীৰ আশাবাদ ("বৰষুণ হ'ব বৰষুণ/ ধাৰাষাৰ বৰষুণ/ দোপালপিটা বৰষুণ/ চকুপানীবোৰ উটি যাব") সমৃদ্ধ কবিতাৰ কবিগৰাকীয়ে সাম্প্ৰতিক পৰিস্থিতিক লক্ষ্য কৰি 'অপ্ৰেম'ৰ দৰে কবিতা লিখিবলৈও বাধ্য হৈছে। 'অপ্ৰেম' কবিতাটি সাম্প্ৰতিক প্ৰদূষিত সময়ৰ এক কৰুণ দস্তাবেজ হোৱাৰ লগতে কবিৰ সামাজিক দায়বদ্ধতা আৰু সংবেদনশীলতাৰো প্ৰতিফলক। ব্যক্তিবাদী-বস্তুবাদী মানসিকতা, নিচাগ্ৰস্ততা-দূৰ্নীতিগ্ৰস্ততাই কোঙা কৰা আধুনিক সমাজ মানসিকতাৰ প্ৰতি কবিৰ প্ৰতিবাদ আৰু ভ্ৰুকুটিত লক্ষ্যণীয় অন্তৰ্ভেদী এক শাণিত ভাষা:

''দৰদী বান্ধৱীহঁতে ক'লে–
আনৰ বিপদ গালৈ চপাই লোৱা কিয়
আজিকালি এনেয়ে মানুহৰ ইমান বিপদ!''

''অপ্ৰেমৰ অলিগলিত আজিকালি মোৰ
সহজ বিচৰণ
মোৰ সমুখতে
কণমানি ছোৱালীক
তপত খোলাত ভাজে
মই কাষেদি জীৱনৰ বাট কাটি যাওঁ'' (অপ্ৰেম)

লোক-কথা আধাৰিত কাহিনী-কথনৰ হেতু বিশেষভাৱে সমাদৃত ৰত্না দত্তৰ পুৰাকথা আধাৰিত দুটিমান কবিতায়ো বিশেষ গুৰুত্ব দাবী কৰে। বিশেষকৈ 'এনেকৈয়ে' কবিতাত তেওঁ তথাকথিত বীৰ-শক্তিশালী-সত্যনিষ্ঠ স্বামীসকলৰ দুৰ্বলতাৰ বাবেই লাঞ্চিতা হোৱা দ্ৰৌপদীৰ জীৱন-যন্ত্ৰণাক উপলব্ধি কৰাৰ প্ৰয়াস কৰিছে:

''আলোক সজ্জা
মত্ততাৰ মায়াত
জাহ যায়
যুধিষ্ঠিৰৰ সত্যনিষ্ঠা,
ভীমৰ পৰাক্ৰম আৰু
সকলো বৰণীয় বৈভৱ।
মহাভাৰতত
ভাৰস্তত
যুগে যুগে থাকি যায় মাথোঁ
পাঞ্চালীৰ অব্যক্ত
নিঃশেষ চকুপানী।'' (এনেকৈয়ে)

যুগে যুগে নাৰীৰ প্ৰতি হৈ অহা অবিচাৰৰ এই চিত্ৰণ ‘জোনাকী’ৰ দৰে কবিতাতো পৰিলক্ষিত হয়। এনে কবিতাই নাৰীবাদী বীক্ষণৰো দাবী কৰে।

উল্লেখনীয় যে আধুনিকতাবাদী যুগ-চেতনাৰ সান্নিধ্যত থাকিও কবি ৰত্না দত্তৰ অৱস্থিতি আধুনিকতাবাদী কাব্য-পৰম্পৰাৰ পৰা কিছু নিলগত : সংক্ষিপ্ততাৰ সলনি বহু কবিতাত দেখা যায় অপ্ৰয়োজনীয় বিস্তাৰ আৰু পুনৰোক্তি, বুদ্ধিদীপ্ত কথনৰ সলনি তেওঁৰ তাঁত-বাতিত দেখা যায় ভাব-ভাষাৰ সহজ-সৰল বয়ন। কাব্যিকতা আৰু গীতিময়তাৰ প্ৰতি কবিৰ সহজাত আকৰ্ষণৰ দুটিমান উদাহৰণ এনেধৰণৰ:

ৰঙা ৰঙা ফুলে সানে
মন আকাশত কৃষ্ণচূড়াৰ বোল
কাৰণে অকাৰণে
মন উগুল থুগুল। (জুনুকা)
. . .
আকাশত সৰোঁ সৰোঁ বৰষুণ
বুৰোঁ বুৰোঁ বেলি
উদঙাই চালে হেনো
সৌন্দৰ্যৰ বুকুৰ কাঁচলি। (চিঠি)

আধুনিকতাবাদী সম্পৰীক্ষাৰ পৰা আঁতৰত থাকিও নিসৰ্গ, মানৱ-জীৱনৰ চিৰন্তন কেতবোৰ অনুভূতি আৰু সমাজ-বাস্তৱৰ উপলব্ধিৰে লিখা ৰত্না দত্তৰ কবিতাৰাজি সমকালীন তাত্ত্বিক বিচাৰ-বিশ্লেষণত ক'ৰবাত গুৰুত্বপূৰ্ণ হৈ নুঠিলেও পাঠকৰ হৃদয় আৰু মন আলোড়িত কৰিব পৰাকৈ সুখপাঠ্য আৰু মননশীল। নিঃসন্দেহে কবি হিচাপে ৰত্না দত্তৰ এয়াই সাৰ্থকতা – সম্ভৱতঃ কবিৰো অভিপ্সা আছিল এয়েই।

গ্ৰন্থপঞ্জী
ৰত্না দত্ত আৰু কুসুম গগৈ, ৰূপালী ৰাতি, অভীক প্ৰকাশন, ২০০৫।
ৰত্না দত্ত আৰু ৰীতা কোঁৱৰ, নীলাঞ্জনা, অভীক প্ৰকাশন, ডিব্ৰুগড়, ২০০৬।

**ড° জ্যোতিষ্মান দাস** তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক।